আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, FEBRUARY 29, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬৩ Guwahati, Assam ।। মূল্যঃ এটকা




দিল্লী নহয়! গুৱাহাটীতেই মুখ্যমন্ত্ৰীৰ উপস্থিতিত গেৰুৱা বসন পিন্ধিলে ৰাণা গোস্বামীয়ে, আনখন ফটোত ‘কা’ৰ বিৰুদ্ধে ৰাজ্যপালক স্মাৰক পত্ৰ প্ৰদান বিৰোধী ঐক্য মঞ্চৰ

## সোঁৰৰাই দিলে বিজেপিয়ে পূৰ্বে দিয়া অসম বন্ধৰ কথা

# সীমা চেৰাই নাযাব! ডিজিপিক ক’লে লুৰীণে



ই-সংবাদ, ২৯ ফেব্ৰুৱাৰীঃ অসমত পুনৰ উকমুকনি ঘটিছে ‘কা’ বিৰোধী আন্দোলনৰ। কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে সমগ্ৰ দেশৰ লগতে অসমত ‘কা’ বলৱৎ কৰিবলৈ সাজু হোৱাৰ খবৰ বিয়পি পৰাৰ পিছতে শেষাংশ ৪ পৃষ্ঠাত

# হিমাচলত কঠোৰ হ’ল কংগ্ৰেছ

ছিমলা, ২৯ ফেব্ৰুৱাৰীঃ হিমাচল প্ৰদেশৰ ৰাজনৈতিক চৰ্চাৰ মাজতে বৃহস্পতিবাৰে অযোগ্য ঘোষণা কৰা হ’ল ৰাজ্যসভাৰ নিৰ্বাচনত ক্ৰছ ভোটিং শেষাংশ ৩ পৃষ্ঠাত

## আৱেগিক ৰাকিল

# উত্তৰকাশীৰ সুৰংগৰ ‘নায়ক’ৰ ঘৰত বুলডজাৰ

নতুন দিল্লী, ২৯ ফেব্ৰুৱাৰীঃ বিজেপি নেতাধীন দিল্লী উন্নয়ন প্ৰাধিকৰণে বুধবাৰে খাজুৰী খাছ অঞ্চলত বেদখল বিৰোধী অভিযান চলায়। য’ত কেইবাটাও ঘৰ ভাঙি পেলোৱা হয়। কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা শেষাংশ ২ পৃষ্ঠাত

# আছুৱে আকৌ ঘোষণা কৰিলে আন্দোলন

লই-সংবাদ, ২৯ ফেব্ৰুৱাৰীঃ ৰাজ্যত নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰিব নিদিয়াৰ হুংকাৰ দি আজি সদৌ অসম ছাত্ৰ সন্থাই ধাৰাবাহিক আন্দোলন ঘোষণা কৰিছে। ৩০টা সংগঠনৰ শেষাংশ ২ পৃষ্ঠাত

# অগপক ধুবুৰী-বৰপেটা, ইউপিপিএলক কোকৰাঝাৰ এৰি দিলে বিজেপিয়ে

## দিল্লীৰ পৰা আহিয়েই মুখ্যমন্ত্ৰীৰ সংবাদমেল



ই-সংবাদ, ২৯ ফেব্ৰুৱাৰীঃ ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু অগপৰ সভাপতি অতুল বৰাৰ উপস্থিতিত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল অনুষ্ঠিত কৰি মিত্ৰ দলক আসন প্ৰদানৰ কথা ঘোষণা কৰে। বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰীয়ে তিনিখন আসন মিত্ৰ দলক এৰি দিয়াৰ কথা শেষাংশ ২ পৃষ্ঠাত

## ‘কা’ আন্দোলনৰ আশংকাত কৃষক মুক্তিৰ নেতাক গ্ৰেপ্তাৰ

# ৰাজ্যত হিটলাৰী শাসন চলিছে বুলি দাবী অখিলৰ

ই-সংবাদ, ২৯ ফেব্ৰুৱাৰীঃ নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰিবলৈ ককালত টঙালি বান্ধিছে কেন্দ্ৰীয় চৰকাৰ তথা বিজেপি দল। সৰ্বশক্তি প্ৰয়োগ কৰি হ’লেও দেশত নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰিবলৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে শেষাংশ ৩ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰকাশীৰ সুৰংগৰ ‘নায়ক’

মন্ত্ৰালয়ৰ অধীনৰ দিল্লী উন্নয়ন প্ৰাধিকৰণে দেশৰ নায়ক এনজনো ঘৰ ভাঙি পেলায়। গৃহহাৰা হোৱাসকলৰ ভিতৰত ৱাকিল হাছান নামৰ খনন কৰ্মীজনো আছে। যিজন ৱাকিল হাছানে উত্তৰকাশীৰ চিল্কিয়াৰা সুৰংগত আৱদ্ধ হৈ থকা ৪১ জন শ্ৰমিকক উদ্ধাৰ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। যোৱা বছৰ নৱেম্বৰত মাহত ৱাকিল হাছানক বিশেষভাবে সন্মান প্ৰদান কৰা হৈছিল। ৱাকিল হাছান পেছাত এজন খনন শ্ৰমিক। ৱাকিল হাছান আৰু অন্যান্য আৱাসীসকলৰ মতে, তেওঁলোকক ডিডিএৰ পৰা কোনো আগতীয়া জাননী দিয়া হোৱা নাছিল। লগতে ৱাকিল হাছানে কয় যে আমি চিল্কিয়াৰা সুৰংগত ৪১ জন লোকক উদ্ধাৰ কৰিছিলো। ইয়াৰ বিনিময়ত আমি উপহাৰ কি পালো চাওক? হাছানে তেওঁৰ ঘৰ ভাঙি পেলোৱাৰ আবেগিক হৈ পৰে। মই কৰ্তৃপক্ষ আৰু চৰকাৰক ঘৰটো হস্তান্তৰ কৰাৰ সময় বিচাৰি অনুৰোধ কৰিছিলো। কিন্তু কোনো লাভ নহ’ল। আজি, কোনো আগতীয়া জাননী অবিহনে, ডিডিএ-এ গৃহ ধ্বংস কৰি দিয়ে। মোক সহায়ৰ প্ৰয়োজন বুলি কয় হাছানে। তেওঁলোকে মোক আৰু মোৰ ল'ৰা ছোৱালীক ধৰি আনি আমাক আৰক্ষী চকীত ৰাখি থৈছে। আমাৰ কিছুমানকো প্ৰহাৰো কৰিছে। ডিডিএ কয় যে পৰিকল্পিত উন্নয়ন ভূমিত বেদখল বিৰোধী অভিযান চলোৱা হৈছিল। অভিযানৰ সময়ত কেইবাটাও অবৈধভাৱে নিৰ্মিত ঘৰ পেলোৱা হৈছিল বুলি কয় আৰক্ষীয়ে। ইপিনে দিল্লীৰ উপ-ৰাজ্যপাল ভি.কে চাক্সেনাই উক্ত এলেকা পৰিদৰ্শন কৰি কয় যে যোৱা নৱেম্বৰত উত্তৰকাশীৰ চিল্কিয়াৰা সুৰংগত আৱদ্ধ হৈ থকা ৪১ জন শ্ৰমিকক উদ্ধাৰ কৰা খনিকৰ্মী ৱাকিল হাছানক ক্ষতিপূৰণ আৰু গৃহ প্ৰদান কৰা হ’ব। সাংসদ মনোজ তিৱাৰীয়ে খনন কৰ্মীৰ ঘৰ ভাঙি দিয়াত কয় যে মই অতি দুখী, তেওঁৰ ঘৰটো অবৈধ আছিল, তেওঁৰ মাত্ৰ এটা ঘৰ আছিল। তেওঁ দেশৰ বাবে খুব ভাল কাম কৰিছে। উপ-ৰাজ্যপাল আৰু ডিডিএ অধ্যক্ষৰ সৈতেও কথা পাতিছো। তেওঁক ঘৰ দিয়া হ’ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অগপক ধুবুৰী-বৰপেটা

আনুষ্ঠানিকভাৱে সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, ইউপিপিএল দলক কোকৰাঝাৰ সমষ্টি, ধুবুৰী আৰু বৰপেটা লোকসভা সমষ্টি অসম গণ পৰিষদক এৰি দিয়াৰ ঘোষণা কৰে। বিজেপিয়ে বাকী ১১ খন আসন নিজৰ হাতত ৰাখিব বুলি জনায়। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে অসমত বিনিয়োগ বৃদ্ধি হোৱাৰ লগতে এক লাখ চাকৰি দিয়াৰ কথা উল্লেখ কৰে। নৰেন্দ্ৰ মোদীয়ে অসমক ২৭ হাজাৰ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন দিয়াত অসমৰ বাবে ঐতিহাসিক দিন বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমবাসীৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে, মোদী কেবিনেট অসমত স্থাপন হ’বলগীয়া টাটাৰ প্ৰকল্প তথা ছেমি কণ্ডাক্টৰ প্ৰকল্পত অনুমোদন জনায়। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে অসমত টাটাৰ ২৭ হাজাৰ কোটি টকাৰ প্ৰকল্প স্থাপনৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰতন টাটাক কেন্সাৰ হাস্পতাল উদ্বোধনী কৰিবলৈ মাতি আনিছিলো। তেতিয়াই অসমৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতি দি গৈছিল। সেই সময়ৰ পৰা এই প্ৰকল্পৰ বাবে কাম কৰি আছিলো। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সকলোখিনি কাম গোপনে কৰি আছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ দুই কাৰ্যকৰী কাৰ্যকৰী সভাপতি ৰাণা গোস্বামী আৰু কমলাক্ষ দে’ পুৰকায়স্থই বিজেপিত যোগদান কৰাৰ কথা উল্লেখ কৰি আগন্তুক দিনত আৰু অধিক লোক বিজেপিলৈ আহিব বুলি ইংগিত দিয়ে। নতুনকৈ যোগদান কৰাসকলৰ দলত ভূমিকা আৰু দায়িত্ব স্পষ্ট কৰি অসমত বিজেপিৰ শক্তি বৃদ্ধি পোৱা বুলি কৈ দুই নেতাৰ দলত্যাগ গুৰুত্বপূৰ্ণ আখ্যা দিয়ে মুখ্যমন্ত্ৰীয়ে। মণিপুৰ, মেঘালয় আৰু অৰুণাচল প্ৰদেশত সহযোগী দলৰ ৰাজ্যিক নেতৃত্বৰ সৈতে আলোচনা চলি থকাও বুলিও কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। ৰাম মন্দিৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত ৰাহুল গান্ধীৰ উপস্থিতিৰ ফলত অসমত কংগ্ৰেছৰ স্থিতি দুৰ্বল হৈছিল বুলিও কয় ড০ শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আছুৰে আকৌ ঘোষণা

সৈতে যুটীয়াভাৱে ৪ মাৰ্চৰ পৰা ৰাজ্যব্যাপী আন্দোলন কৰিব আছুৱে। ৪ মাৰ্চত প্ৰতিখন জিলাত বাইক ৰেলী কৰি আন্দোলন আৰম্ভ কৰিব আছুৱে। ৪ মাৰ্চত বাইক ৰেলী, বলবৎ হ’লে উক্ত দিনটোত আইনৰ প্ৰতিলিপি দাহ আৰু জোঁৰ সমদল, ৮ মাৰ্চ আৰু ৯ মাৰ্চত নৰেন্দ্ৰ মোদী অসমত থকাৰ সময়তো আন্দোলন কৰিব আছুৱে। ৮ মাৰ্চত ‘কা’ৰ শ্বহীদক স্মৰণ কৰি আছুৰ আঞ্চলিক সমিতিসমূহে বন্তি প্ৰজ্বলন কৰিব। ৯ মাৰ্চৰ পুৱা ৬ বজাৰ ১২ ঘণ্টীয়া অনশন কৰাৰ ঘোষণা কৰে। আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল ভট্টাচাৰ্যই গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কয় যে আজি ৩০ টা জনজাতীয় সংগঠনৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। অবৈধ বাংলাদেশীৰ সংস্থাপনৰ বিৰুদ্ধে স্থিতি পুনৰ স্পষ্ট কৰি খিলঞ্জীয়া লোকৰ সুৰক্ষাৰ লগতে আইন বলবৎ কৰিব খোজাৰ বিৰুদ্ধে আন্দোলন কৰাৰ সিদ্ধান্ত লোৱা হয়। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক ৰাজ্যখনৰ লোকসকলৰ ভৱিষ্যতৰ সৈতে খেলা নকৰিবলৈ সকীয়াই দিয়া হয়। আইনখন ৰাজ্যসভাত ভোটৰ সংখ্যাৰ থকাৰ বাবাহে গৃহীত হোৱা বুলি কৈ অন্যথাই আইন গৃহীত নহলহেঁতেনে বুলি কয় ড০ সমুজ্জ্বল ভট্টাচাৰ্যই। ড০ সমুজ্জ্বল ভট্টাচাৰ্যই আৰু কয় যে উত্তৰ-পূবৰ মানুহে কঠোৰভাবে প্ৰত্যাখ্যান কৰাৰ পাছতো বলবৎ কৰিব খুজিলে সমগ্ৰ উত্তৰ-পূবত প্ৰতিবাদ চলি থাকিব। আমি ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক কও যে আমি ‘কা’ গ্ৰহণ কৰা নাছিলো আৰু কেতিয়াও গ্ৰহণ নকৰো। উচ্চতম ন্যায়ালয়ত গোচৰ চলি থকাৰ সময়তে কেন্দ্ৰীয়য় চৰকাৰে ‘কা’ কেনেকৈ বলবৎ কৰিব পাৰে বুলি প্ৰশ্ন কৰে ড০ সমুজ্জ্বল ভট্টাচাৰ্যই। আইনৰ বিৰুদ্ধে আছুৱে শান্তিপূৰ্ণভাবে এক শৃংখলাবদ্ধ আন্দোলনৰ ঘোষণা কৰি শান্তিপূৰ্ণ আন্দোলনকাৰীক হাৰাশাস্তি নকৰিবলৈ সতৰ্ক কৰি দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যত হিটলাৰী শাসন

বিজেপিয়ো বিজেপিৰ এনে স্থিতিৰ বিৰুদ্ধে অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ দল-সংগঠনে প্ৰতিবাদ কৰিবলৈ আৰম্ভ হৈছে৷ এই আইখনৰ অধীনত অসমক অন্তৰ্ভুক্ত নকৰিবলৈ আহ্বান জনাইছে দল-সংগঠনে৷ অন্যথাই ২০১৯ চনৰ দৰেই অসমত প্ৰতিবাদ আৰম্ভ কৰাৰ ঘোষণা কৰিছে৷ এনে সময়ত অসম চৰকাৰ তথা আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰি নেতাক আটক কৰিবলৈ আৰম্ভ কৰিছে৷ আজি বৰাক উপত্যকাৰ ৰাইজৰ দলৰ নেতা জহিৰুদ্দিনক আটক কৰা হৈছে৷ ৰাইজৰ দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক জহিৰুদ্দিনক গ্ৰেপ্তাৰ কৰাত দলটোৱে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে৷ অখিল গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহ্বান জনাই জহিৰুদ্দিনক মুকলি কৰি দিবলৈ কয়৷ আনহাতে মুখ্যমন্ত্ৰীয়ে গণতান্ত্ৰিক ব্যৱস্থা শেষ কৰাৰ লগতে বিধানসভাত উল্লেখ কৰা ডিক্টেটৰশ্বিপ চলাম বুলি কোৱা কথাক দোহাৰি স্বৈৰতন্ত্ৰ চলোৱাৰ অভিযোগ উত্থাপন কৰে অখিল গগৈয়ে৷ আনহাতে ডিজিপিয়ে প্ৰতিবাদ কৰিলে ১৬৪৩ কোটি টকা জৰিমনা বিহিব খোজাৰ যি কথা উল্লেখ কৰিছে তাকে লৈ অখিল গগৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসমত হিটলাৰী ৰাজ চলোৱা বুলি কয়৷ আনহাতে ৰাজ্যপালক সাক্ষাতৰ সময়ত ৰাজ্যপালে খেদ প্ৰকাশ কৰি ৰাজ্য চৰকাৰখনে 'কা' আইনৰ বিৰুদ্ধে ব্যৱস্থা ল'ব নোৱাৰিলে কি হ'ব বুলি কোৱা বুলি কয় অখিল গগৈয়ে৷ গগৈয়ে 'কা' বিৰোধী আন্দোলন দমন নকৰিব বুলি মুখ্যমন্ত্ৰীক আহ্বান জনাই কয় 'প্ৰব্ৰজনৰ দ্বাৰা ক্ষতিগ্ৰস্ত ৰাজ্যখনক আৰু ক্ষতি নকৰি অসমৰ আন্দোলন দেখুৱাই কেন্দ্ৰীয় চৰকাৰক সৈমান কৰক যাতে অসমৰ পৰা 'কা' বাতিল কৰে৷' 'কা' বিৰোধী আন্দোলনৰ পূৰ্বে তিনিচুকীয়া জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক উমানন্দ মৰাণ আৰু ধুবুৰী জিলা কৃষক মুক্তিৰ সম্পাদক ৰাতুল ৰয়কো আটক কৰা হৈছে৷ কৃষক মুক্তিৰ তিনিচুকীয়া সমিতিয়ে নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে গণ অৱস্থান প্ৰতিবাদৰ আয়োজন কৰিছিল। আন্দোলন তিনিচুকীয়া চহৰৰ থানা চাৰিআলিত অনুষ্ঠিত হৈছিল৷ প্ৰতিবাদত অংশগ্ৰহণ কৰিবলৈ স্থানীয় লোকসকলৰ সৈতে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সদস্যসকল ওলাই আহিছিল। তাৰ পাছতে একশ্যণ মুডত দেখা যায় আৰক্ষীক৷ আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক প্ৰতিবাদস্থলীৰ পৰা চোঁচৰাই আঁতৰাই নিবলৈ আৰম্ভ কৰাৰ লগতে লাঠিচালনা কৰে৷ সেই সময়তে প্ৰতিবাদকাৰীয়ে শ্ল'গান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে৷ তাৰ পাছতে কেইবাজনো প্ৰতিবাদকাৰীক আৰক্ষীয়ে প্ৰতিবাদস্থলীৰ পৰা আটক কৰে৷ লগতে ৰাজ্যৰ আন আন প্ৰান্ততো আজি কেইবাটাও দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমাচলত কঠোৰ হ'ল

কৰি বিজেপিৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়োৱা শাসকীয় কংগ্ৰেছৰ ৬ বিধায়কক। কংগ্ৰেছে বিত্ত বিধেয়ক সন্দৰ্ভত চৰকাৰৰ সপক্ষে ভোট দিবলৈ জাৰি কৰা হুইপ উলংঘা কৰাৰ অভিযোগত বৃহস্পতিবাৰে বিধানসভাৰ অধ্যক্ষই এই ৬ বিদ্ৰোহী কংগ্ৰেছ বিধায়কক অযোগ্য ঘোষণা কৰে। ইয়াৰ লগে লগে বিধায়ক কেইজনৰ সদস্যপদো বাতিল কৰা হৈছে। এই বিধায়কসকলৰ ভিতৰত আছে সুধীৰ শৰ্মা, ৰাজেন্দ্ৰ ৰাণা, দেৱেন্দ্ৰ ভুট্টো, ইন্দ্ৰ লখন পাল, ৰবি ঠাকুৰ আৰু চৈতন্য শৰ্মা। উল্লেখ্য যে, শেহতীয়াকৈ অনুষ্ঠিত হিমাচল প্ৰদেশৰ এখন আসনৰ ৰাজ্যসভা নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী অভিষেক মনু সিংভীৰ বিপৰীতে ক্ৰছ ভোটিং কৰি বিজেপিৰ প্ৰাৰ্থী হৰ্ষ মহাজনক ভোট দিছিল দলটোৰ ৬ গৰাকী বিধায়কে। যাৰ পৰিণতিত পৰাজিত হ'বলগীয়া হৈছিল কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকী। হিমাচল প্ৰদেশৰ বিধানসভাৰ অধ্যক্ষ কুলদ্বীপ সিং পঠানিয়াই বিধায়ক কেইজনক অযোগ্য ঘোষণা কৰি কয় যে এই বিধায়কসকলৰ বিৰুদ্ধে কোনো প্ৰত্যক্ষ প্ৰমাণ পোৱা নাই যদিও দলৰ হুইপ উলংঘা কৰাৰ অভিযোগত অযোগ্য ঘোষণা কৰা হৈছে। লগতে তেওঁ কয় যে এই বিধায়কসকলক তেওঁলোকৰ মতামত দাঙি ধৰিবলৈ সুযোগ দিয়া হৈছিল, কিন্তু তেওঁলোকে ইয়াৰ প্ৰতি সঁহাৰি জনাব পৰা নাছিল। ইয়াৰ পূৰ্বে বিধানসভাৰ অধ্যক্ষই সদনত হুলস্থুলৰ সৃষ্টি কৰি বিত্ত বিধেয়কৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ চেষ্টা কৰা ১৫ গৰাকী বিজেপি বিধায়ককো নিলম্বন কৰিছিল। এই বিধায়কসকলক পৰৱৰ্তী অধিৱেশনলৈ নিলম্বিত কৰি ৰখা হৈছে। মন কৰিবলগীয়া যে শেহতীয়াকৈ হিমাচল প্ৰদেশত বৃদ্ধি পাইছিল ৰাজনৈতিক অস্থিৰতা। ৰাজ্যসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ বিধায়কে ক্ৰছ ভোটিং কৰি বিজেপিৰ পক্ষ লোৱাৰ পিছতে মন্ত্ৰী পদৰ পৰা আকস্মিকভাৱে পদত্যাগ কৰিছিল বিক্ৰমাদিত্য সিঙেও। যাৰ বাবে ৰাজ্যখনত কংগ্ৰেছৰ চৰকাৰ পতন ঘটাৰো আশংকা বৃদ্ধি পায়। অৱশ্যে কংগ্ৰেছ নেতৃত্বৰ বুজনিত পিছত পদত্যাগ পত্ৰ প্ৰত্যাহাৰ কৰে বিক্ৰমাদিত্য সিঙে। মুখ্যমন্ত্ৰী সুখৱিন্দৰ সিং সুখুৱে কয়, 'বিজেপিয়ে আমাৰ চৰকাৰ পতন ঘটাবলৈ যিমানেই চেষ্টা নকৰক কিয়, আমি একত্ৰিত হৈ আছো আৰু আমি ৫ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰিম।'

প্ৰথম পৃষ্ঠাৰ পৰা...

# সীমা চেৰাই নাযাব!

বিভিন্ন দল-সংগঠনে আইনখনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ প্ৰস্তুতি চলাইছে৷ সদৌ অসম ছাত্ৰ সন্থায়ো পুনৰ আইনখনৰ বিৰুদ্ধে ঘোষণা কৰিছে ধাৰাবাহিক আন্দোলন। আনহাতে, কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদকে ধৰি ১৬ টা বিৰোধী দলৰ উমৈহতীয়া মঞ্চ বিৰোধী ঐক্য মঞ্চই আইন বলৱৎ হোৱাৰ পাছতে অসম বন্ধ দিয়াৰ কথা ঘোষণা কৰিছে৷ বুধবাৰে গুৱাহাটীৰ হোটেল লিলিত এখন সংবাদমেল অনুষ্ঠিত কৰি বিৰোধী দলসমূহে আইনখনৰ বিৰোধিতা কৰি অসম বন্ধ দিয়াৰ সিদ্ধান্ত লয়৷ তাৰ পাছতে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে সতৰ্ক কৰে দিয়ে বিৰোধী দলসমূহক। আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিঙে এক্সযোগে পুৰণি পোষ্ট শ্বেয়াৰ কৰি বন্ধৰ আহ্বান জনালে ১৬৪৩ কোটি টকাৰ ক্ষতিপূৰণ ভৰিব লাগিব বুলি সকীয়নি প্ৰদান কৰে৷ গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে দিয়া এক ৰায়দানক লৈ ২০২২ চনৰ ১৯ জুনত কৰা এটা পোষ্টৰ প্ৰসংগ উল্লেখ কৰে সিঙে। WP(C) 7570/2013ৰ আবেদনৰ আধাৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০১৯ চনৰ ১৯ মাৰ্চত দিয়া নিৰ্দেশ অনুসৰি বন্ধ আহ্বান জনোৱা পক্ষৰ পৰা কি আদায় কৰিব পাৰি তাকে লৈ ২০২২ চনৰ জুন মাহত দিয়া পোষ্টক জি.পি সিঙে পোষ্টটো ৰিপোষ্ট কৰে। অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (জিএছডিপি) ৫,৬৫,৪০১ কোটি টকা নিৰ্ধাৰণ কৰিলে এদিনত প্ৰায় ১৬৪৩ কোটি টকা লোকচান হ'ব। ন্যায়ালয় নিৰ্দেশ অনুসৰি পূৰ্বে উল্লেখ কৰা আদেশৰ ৩৫(৯) অনুচ্ছেদ অনুসৰি এনে বন্ধৰ আহ্বান জনোৱাসকলৰ পৰা ধন আদায় কৰিব পৰা যাব বুলি কয় ডিজিপিয়ে৷ ডিজিপিৰ উক্ত পোষ্টটোক লৈ ৰাজ্যজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। এই সন্দৰ্ভত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়েও প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীক সীমা অতিক্ৰম নকৰিবলৈ সকীয়াই দিয়ে৷ এক সংবাদমেল অনুষ্ঠিত কৰি লুৰীণজ্যোতি গগৈয়ে কয়, 'ডিজিপি ডাঙৰীয়া, আপুনি পাব্লিক ছাৰ্ভেণ্ট, অৰ্থাৎ ৰাইজৰহে সেৱক৷ গতিকে নিজকে বিজেপিৰ এজেণ্ডা চলোৱা বা ৰাজনৈতিক এজেণ্ডা পূৰ্ণ কৰা এজেণ্ট বা ঢাল হিচাপে ব্যৱহাৰ কৰিবলৈ নিদিব৷ এইটো স্পষ্টকৈ সকীয়াই দিব খুজিছো যে আপুনি যাতে সীমা অতিক্ৰম নকৰে৷ ডিজিপিগৰাকীৰ প্ৰতি আমাৰ স্পষ্ট বাৰ্তা নিজৰ সীমাৰেখা লংঘন নকৰাকৈ কথা-বতৰা, বক্তব্য ৰাখিব৷' দেশত আইন আছে আৰু দেশত আইনৰ শাসন চলে বুলি উল্লেখ কৰি লুৰীণজ্যোতি গগৈয়ে আৰু কয় যে আইন ভংগ কৰিলে কেনেকৈ কি হ'ব সেই কথাটো আইনীভাৱে হ'ব৷ আইন-আদালতৰ কথা কৈ জনতাক ভয়-ভাবুকি নিদিবলৈকো সকীয়াই দিয়ে লুৰীণজ্যোতিয়ে৷ অসম বন্ধ দিলে ক্ষতিপূৰণ আদায় ল'ব বুলি কৰা টুইটৰ প্ৰত্যুত্তৰ দি ডিজিপিগৰাকীক প্ৰত্যাহ্বান জনাই ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনা অৰ্ধছুটি দিয়া বিজেপিৰ পৰা ধন আদায় কৰিবলৈকো দাবী জনায়৷ গগৈয়ে কয়, 'কিছুদিনৰ পূৰ্বে অৰ্ধ ছুটী দিয়া হৈছিল৷ তাৰ বাবে ক্ষতি হোৱা ৮২১.৫ কোটি টকা সংগ্ৰহ কৰক বিজেপিৰ পৰা৷ বিজেপিৰ ৰাজনৈতিক এজেণ্ডা পূৰ্ণ কৰিবলৈ অৰ্ধছুটি দিয়া হৈছিল৷ বিজেপিৰ পৰা ৮২১.৫ কোটি টকা সংগ্ৰহ কৰি ডিজিপিগৰাকীয়ে সাহস দেখুওৱাক৷' মুখ্যমন্ত্ৰীৰ ঢাল হিচাপে ব্যৱহাৰ হৈ নিজে অন্ধভক্ত হৈ নাম বঢ়াবৰ বাবে টুইট কৰিছে বুলি কৈ সংবাদমেলত অজাপ নেতাগৰাকীয়ে বিজেপিয়ে পূৰ্বতে আহ্বান জনোৱা বন্ধসমূহৰ কথাও ডিজিপি আৰু ৰাজ্যবাসীক সোঁৱৰাই দিয়ে। তেওঁ কয়, '২০১২ চনত ২০ ছেপ্তেম্বৰত বিজেপিয়ে ভাৰত বন্ধ দিছিল৷ ২০১০ চনৰ ৫ জুলাইত এনডিএ ভাৰত বন্ধ দিছিল মূল্যবৃদ্ধিৰ বিৰুদ্ধে৷ ২০০২ চনৰ ৩১ অক্টোবৰত বিজেপিয়ে অসম বন্ধ দিছিল৷ সেই সময়ৰ বিজেপিৰ নেতাই বন্ধ পালন কৰা বাবে অসমৰ জনসাধাৰণক ধন্যবাদ দিছিল৷ এটা দিনৰ পূৰ্বে ২৭ ফেব্ৰুৱাৰীত বিজেপিয়ে দিল্লী বন্ধ ঘোষণা কৰিছে৷ এইবোৰ বন্ধ সম্পৰ্কত ডিজিপিৰ স্থিতি কি হ'ব৷ ২০১৮ চনত 'কা'ৰ বিৰুদ্ধে অসম বন্ধ ঘোষণা কৰাত অসম গণ পৰিষদ দলে সমৰ্থন কৰিছিল৷অসমৰ ডিজিপিয়ে ৮২১.৫ কোটি টকা সংগ্ৰহ কৰিলেনে নাই সেই কথা জানিব খুজিছো৷ আছুত মই থকাৰ সময়ত বিভিন্ন বন্ধ ঘোষণা কৰাত বিজেপিয়ে সমৰ্থন কৰিছিল৷ সেই সময়ত বন্ধক সমৰ্থন কৰা বিজেপিৰ পৰা অসমৰ জিডিপিৰ এক পঞ্চমাংশ সংগ্ৰহ কৰিছে নে নাই? অসমৰ ডিজিপিয়ে প্ৰথমে এই টকাবোৰ সংগ্ৰহ কৰি লওক৷' ইপিনে 'কা' গৃহীত কৰি লাখ লাখ বিদেশীৰ বোজা অসমৰ ওপৰত জাপি দিব খুজিছে বুলি কৈ দিল্লীয়ে অন্যায় কৰাৰ অভিযোগ আনে লুৰীণে৷ অসমৰ জনসাধাৰণে আন্দোলন কৰিলে ভয়-ভাবুকি দিব৷ টকা-পইছাৰ জৰিমনা ভৰোৱা হ'ব৷ অসমৰ সামাজিক, অৰ্থনৈতিক ভনিষ্যত ধ্বংস কৰি দিয়া কাৰ্যত অসমৰ ৰাইজে মাত নামাতিব নেকি? এখন আইন জাপি দিছে৷ অসমত অন্যায় কৰা হৈছে, তাত অসমৰ মানুহে মাত নামাতিব নেকি? বন্দুকৰ ভয়, অৰ্থনৈতিক জৰিমনা দিয়াৰ কথা নক'ব৷ সেয়াও মুখ্যমন্ত্ৰীৰ ঢাল হৈ৷ সীমা ৰেখা ৰাখি বক্তব্য ৰাখিবলৈ ডিজিপিগৰাকীক আহ্বান জনাইছো বুলিও কয় লুৰীণজোতি গগৈয়ে৷ ইফালে, আজি অসমৰ ১৬টা বিৰোধী দলে ৰাজ্যপালন সাক্ষাৎ কৰি ৰাজ্যপালৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক স্মাৰক পত্ৰ প্ৰদান কৰি অসমত আইনখন বলবৎ নকৰিবলৈ আহ্বান জনায়।

# অগপৰ নতুন সমিতিক দায়িত্ব

**ই-সংবাদ, মোৰাঝাৰ, ২৯ ফেব্ৰুৱাৰীঃ** অসম গণ পৰিষদৰ হোজাই জিলাৰ সমিতিৰ অন্তৰ্গত নকৈ গঠিত বিন্নাকান্দি সমষ্টি সমিতিয়ে আজি দায়িত্ব গ্ৰহণ কৰে। মূল সমিতিৰ লগতে মহিলা পৰিষদ, ধৰ্মীয় সংখ্যালঘু পৰিষদ আৰু কৃষক পৰিষদে শপত বাক্য পাঠ কৰি কাৰ্যভাৰ গ্ৰহণ কৰে। ডবকা চহৰৰ স্মাৰ্ট পইণ্ট বিল্ডিংত প্ৰাক্তন শিক্ষক নাৰায়ণ চন্দ্ৰ ভৌমিকৰ সভাপতিত্বত অনুষ্ঠিত সভাত কেন্দ্ৰীয় সম্পাদক শান্তনু কুমাৰ শৰ্মা পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। বিন্নাকান্দি বিধানসভা সমষ্টিৰ নৱগঠিত সমিতিৰ সভাপতি আলহাজ খলিলুৰ ৰহমান, সম্পাদক দিলোৱাৰ হুছেইন আৰু ছইফুল ইছলাম, মহিলা সমিতিৰ সভানেত্ৰী বানেছা বেগম, সম্পাদিকা ফৰিদা বেগম আৰু ওৱাহিদা বেগম, ধৰ্মীয় সংখ্যালঘু সমিতিৰ সভাপতি আলহাজ চাকিৰ হুছেইন, সম্পাদক হাৰুণ মিঞা, কৃষক সমিতিৰ সভাপতি মেৰাৱ আলি, সম্পাদক আব্দুল হাচিবে শপত বাক্য পাঠ কৰি কাৰ্যভাৰ গ্ৰহণ কৰে। সভাত কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহ ফাৰুক আহমেদ, কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য আব্দুৰ ৰহমান, হোজাই জিলাৰ প্ৰাক্তন উপ-সভাপতি প্ৰদীপ ৰায়, জিলাৰ প্ৰাক্তন উপ-সভাপতি হাজী সোনা মিঞা, প্ৰাক্তন প্ৰধান শিক্ষক আব্দুল জলিল পাটোৱাৰী, মনোৱাৰা বেগম উপস্থিত থাকে।

# বৃন্দাবনী বস্ত্ৰ উন্মোচন

**ই সংবাদ, ২৯ ফেব্ৰৱাৰীঃ** বৃহস্পতিবাৰে গুৱাহাটীৰ উলুবাৰীত সম্পন্ন হল এটা মহান কাম। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি তথা অসমীয়া ঐতিহ্যৰ ধ্বজ্জাবাহী বৃন্দাবনী বস্ত্ৰভাগিৰ কিছু অংশ পুনৰ অংকন কৰি ৰাইজৰ প্ৰদৰ্শনৰ বাবে মুকলি কৰা হয়। বিশিষ্ট চিত্ৰশিল্পী তথা অসমীয়া প্ৰতিদিন কাকতৰ কাৰ্টুনিষ্ট মুবীন ৰাভাই অংকিত কৰা এই বৃন্দাবনী বস্ত্ৰভাগিৰ উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই।অংকিত বস্ত্ৰভাগিৰ উন্মোচনৰ বাবে আয়োজন কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সাহিত্য সভাৰ সভাপতিগৰাকীয়ে এই মহান কাৰ্য সম্পন্নৰ বাবে চিন্তা কৰা শান্তিশ্ৰী দত্তক ধন্যবাদ জ্ঞাপন কৰে আৰু এই কৰ্মই আগন্তুক সময়ত সমাজত অসমীয়া কৃষ্টি-সংস্কৃতিৰ ভৰাঁল টনকিয়াল কৰিব বুলি মন্তব্য কৰে। বৃন্দাবনী বস্ত্ৰভাগিৰ কিছু অংশ অংকন কৰি প্ৰদৰ্শনৰ বাবে চিন্তা কৰিছিল শান্তিশ্ৰী দত্তই।

## ‘সকলো কংগ্ৰেছী আহিব বিজেপিলৈ’

# বৰপেটা ৰোডৰ উৰণ সেঁতু উদ্বোধন মুখ্যমন্ত্ৰীৰ

**ই সংবাদ, ২৯ফেব্ৰুৱাৰীঃ** আজি বৰপেটা ৰোডৰ ৰে'ল লাইনৰ ওপৰত নিৰ্মিত উৰণীয়া সেঁতুখন মুখ্যমন্ত্ৰীয় হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। বৰপেটাৰোডৰ ৰে'ল লাইনৰ দক্ষিণ পাৰক সংযোগ কৰা সেঁতুখন উদ্বোধন কৰাত দীৰ্ঘদিনিয়ী সমস্যাৰ অৱসান ঘটিল। মুখ্যমন্ত্ৰীয়েও দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান হ'ল বুলি কয়। ৪৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বৰপেটাৰোডৰ ৰে'লৰে সেঁতুখনৰ লগতে মুখ্যমন্ত্ৰীয়ে বৰপেটা জিলাত ৬২৪ কোটি টকাৰ বিভিন্ন আঁচনি ৰূপায়নৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় জনতা পাৰ্টিৰ সৰভোগ চকচকা ব্লক মণ্ডল সমিতিৰ নৱ-নিৰ্মিত তিনিমহলীয়া আটকধুনীয়া কাৰ্যালয়ো উদ্বোধন কৰে। উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ কোনো নেতাক বিশ্বাস নলবলৈ কয়। মুখ্যমন্ত্ৰীয়ে বিজেপিৰ নেতা-কৰ্মীয়ে উদ্দেশ্যে কয় যে কংগ্ৰেছৰ নেতাই সংবাদমাধ্যমত বেছি কথা কয়। কিন্তু বিজেপিৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলে। কংগ্ৰেছৰ সকলোৱে বিজেপিত যোগদান কৰিব। কেইজনমান বিধায়কহে থাকিব। সেইসকলে মোৰ সৈতে ডাঙৰ হৈছে। অচিৰেই কংগ্ৰেছৰ সভাপতি, উপ-সভাপতিসহ সকলো বিষয়-ববীয়াই বিজেপিত যোগদান কৰিব। কংগ্ৰেছ দলত ৰকিবুল হুছেইন, ৰেকিবুদ্দিন আহমেদ, জাকিৰ হুছেইন শিকদাৰ, নুৰুল হুদাহে থাকি যাব।




৪২ কোটি ব্যয়েৰে বৰপেটা ৰোডত নিৰ্মাণ কৰা ৰে'লৰে সেঁতু উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে উঠিলে ফটো

# মৰিগাঁৱত ১লাখ ৪০হাজাৰ শিশুক প্ৰদান কৰা হ'ব পলিঅ' প্ৰতিষেধক

**ই-সংবাদ, লাহৰীঘাট, ২৯ ফেব্ৰৱাৰীঃ** অহা ৩ মাৰ্চৰ পৰা মৰিগাঁও জিলাত বিশেষ পলিঅ' প্ৰতিষেধক অভিযান আৰম্ভ কৰিব স্বাস্থ্য বিভাগে। মৰিগাঁও জিলাৰ অতিৰিক্ত মুখ্য স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত জিলা টাস্ক ফৰ্চৰ দ্বিতীয়খন সভাৰ অন্তত আজি অতিৰিক্ত স্বাস্থ্য বিষয়া ডাঃ তপন কুমাৰ শইকীয়াই এই কথা প্ৰকাশ কৰে। স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ ফণী পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাত ডাঃ তপন কুমাৰ শইকীয়াই বিশ্বৰ কেতবোৰ ঠাইত পলিঅ' ৰোগী পুনৰ চিনাক্ত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ দেশতে অহা ৩ মাৰ্চত ৰাষ্ট্ৰীয় টীকাকৰণ দিৱস ৰূপায়ন কৰা হ'ব বুলি কয়। সেইদিনা মৰিগাঁও নগৰ, ঝাৰগাঁও, লাহৰিঘাট আৰু ভুৰবন্ধা স্বাস্থ্য খণ্ডৰ অধীনৰ ৯০৬টা বুথত নিয়মীয়া শিশুসকলৰ লগতে প্ৰতিষেধক ল'বলৈ থকা অন্য শিশুকো পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। মুঠ ১লাখ ৪০হাজাৰ শিশুক প্ৰদান কৰিব প্ৰতিষেধক।

## প্ৰধানমন্ত্ৰীকো সাক্ষাৎ কৰিব বিৰোধী ঐক্য মঞ্চই

# ৰাজ্যপালক 'কা' প্ৰত্যাহাৰৰ দাবীৰে বিৰোধী দলৰ স্মাৰক পত্ৰ

**গুৱাহাটী, ২৯ ফেব্ৰুৱাৰীঃ** 'কা' বলৱৎ কৰা বিষয়টোৰ বিৰোধিতা কৰি ১৬ টা বিৰোধী দলৰ ঐক্য মঞ্চই আজি ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক সাক্ষাৎ কৰি এক স্মাৰক পত্ৰ প্ৰদান কৰে। বিৰোধী ঐক্য মঞ্চৰ সভাপতি ভূপেন কুমাৰ বৰা, সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈৰ নেতৃত্বত ১৬টা দলৰ শীৰ্ষ নেতৃত্বই আজি পুৱা ১০ বজাত ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰে আৰু 'কা' প্ৰয়োজ্য হ'লে হ'ব পৰা ভয়াৱহ পৰিস্থিতিৰ কথা অৱগত কৰে। 'কা'ৰ বিধিসমূহ প্ৰয়োগ হোৱাৰ লগে লগে অসমৰ অস্তিত্বৰ প্ৰতি পুনৰ সংকট আহিব, বিশেষকৈ জাতি-জনগোষ্ঠীৰ ভৱিষ্যতক লৈ অনিশ্চয়তা আহি পৰাৰ লগতে অসমীয়া জাতিৰ সাংস্কৃতিক, ভাষিক আৰু অৰ্থনৈতিক অস্থিৰতা আহি পৰিব। বিদেশীৰ বোজা অসমে আৰু ল'ব নোৱাৰে বুলি ৰাজ্যপালক বিৰোধী ঐক্য মঞ্চৰ নেতাসকলে স্পষ্ট কৰি দিয়ে। বিৰোধী দলৰ নেতৃত্বৰ যুক্তি মন দি শুনি ৰাজ্যপালগৰাকীয়ে কয় যে- স্মাৰক পত্ৰত উল্লেখ কৰা বিষয়সমূহ তেওঁ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব আৰু বিষয়টো আলোচনা কৰিব। অৱশ্যে ৰাজ্যপালগৰাকীৰ সীমাৱদ্ধতাৰ কথাও তেওঁ উনুকিয়াই আৰু চৰকাৰে কৰিম বুলি কৰা কাম পুনৰ বিবেচনা কৰিবৰ বাবে তেখেতে পৰামৰ্শহে দিব পাৰে বুলি উল্লেখ কৰে। বিৰোধী দলৰ নেতাসকলে দেশৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি 'কা'ৰ পৰা হ'ব পৰা ভয়াৱহতাৰ কথা অৱগত কৰিব বুলি ৰাজ্যপালক জনাই আৰু প্ৰধানমন্ত্ৰীৰ এক সাক্ষাৎকাৰৰ ব্যৱস্থা কৰি দিবৰ বাবে অনুৰোধ জনায়। ৰাজ্যপালগৰাকীয়ে বিৰোধী দলৰ নেতাসকলক প্ৰধানমন্ত্ৰী কাৰ্যালয়লৈ সাক্ষাৎকাৰ বিচাৰি এখন পত্ৰ প্ৰেৰণ কৰিবলৈ পৰামৰ্শ দিয়ে আৰু তাৰ প্ৰতিলিপি ৰাজ্যপালক দিবৰ বাবে আহ্বান জনায়। সৌহাৰ্দ্যপূৰ্ণ এই আলোচনা প্ৰায় ৪০ মিনিটযোৱা হয় যদিও বিৰোধী নেতাসকলে 'কা' প্ৰত্যাহাৰ কৰিবৰ বাবে সজোৰে দাবী উত্থাপন কৰে আৰু অসমৰ ৰাইজৰ ভৱিষ্যতৰ বিষয়টো সাংবিধানিক মুৰব্বী হিচাপে বিবেচনা কৰাৰ দায়িত্ব ৰাজ্যপালগৰাকীৰ বুলি তেখেতক জানিবলৈ দিয়ে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি, ভূপেন কুমাৰ বৰা, তৃণমূল কংগ্ৰেছৰ সভাপতি, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, পিএলপিৰ সভাপতি চৰণ ডেকাই ৰাজ্যপালৰ আগত অসমৰ ৰাইজৰ হৈ 'কা' বাতিল কৰিবলৈ যুক্তি প্ৰদৰ্শন কৰে। বিৰোধী ঐক্য মঞ্চৰ প্ৰতিনিধি হিচাপে চিপিএম দলৰ ইছফাকুৰ ৰহমান, আপৰ ৰাজ্যিক সভাপতি ডাঃ ভৱেন চৌধুৰী, এনচিপিৰ (শাৰদ) পৰেশ বৰুৱা, সমাজবাদী পাৰ্টীৰ অসমৰ ৰাজ্যিক সভাপতি আব্দুল আজিজৰ লগতে আৰজেডি, অসম জাতীয় দলৰ নেতৃত্বও উপস্থিত থাকে। অসম প্ৰদেশ কংগ্ৰেছৰ হৈ প্ৰতিনিধি দলটোত সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, বিপুল গগৈ, জিন্টু হাজৰিকা আৰু বিৰোধী ঐক্য মঞ্চৰ সমন্বয়ক বেদব্ৰত বৰাও উপস্থিত থাকে।



হোটেল প্ৰাগ কন্টিনেন্টেলত আছু আৰু ৩০ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ 'কা' সন্দৰ্ভত বিশেষ বৈঠক

## জাতিৰ শিপা খামুচি ধৰি থাকিবলৈ ৰাইজক আহ্বান জনালে মুখ্যমন্ত্ৰীয়ে

# কোকৰাঝাৰৰ মহাযজ্ঞত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা



**ই-সংবাদ, কোকৰাঝাৰ, ২৯ ফেব্ৰুৱাৰীঃ** কোনো এটা জাতিৰ চহকী পৰম্পৰা আৰু সংস্কৃতি ধৰি ৰাখিব হ'লে শিপা এৰি দিব নালাগে। ভেঁটি খামোচ মাৰি থাকিব লাগে। পশ্চিমৰ প্ৰভাৱ আহে কিন্তু ভেঁটি দুৰ্বল হ'লে মানৱ সভ্যতাই চহকী সভ্যতা হেৰুৱাব। এই মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি কোকৰাঝাৰ সদৰ চহৰৰ গ্ৰীণফিল্ডত বিশ্বশান্তিৰ বাবে অনুষ্ঠিত হোৱা ১২ ঘণ্টীয়া ব্ৰহ্মধৰ্মীয় মহাযজ্ঞত যজ্ঞাহুতি দি নিজ ভাষণ প্ৰসংগত উক্ত মন্তব্য কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ব্ৰহ্ম ধৰ্মৰ প্ৰচাৰক গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ প্ৰতি ভক্তিভৰা প্ৰণিপাত জনাই নিজৰ ভাষনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, অসমৰ বৰ্ণাঢ্য সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ বড়োসকল হৈছে সমৃদ্ধ ইতিহাস আৰু বৰ্ণিল লোকজীৱনৰ অধিকাৰী । কালিচৰণ ব্ৰহ্ম আধুনিক বড়ো সমাজৰ ৰূপকাৰ আৰু নব্যচিন্তাধাৰাৰে বড়ো সমাজক আগুৱাই নিছিল। ১৮৬০ চনৰ ১৮ এপ্ৰিলত জন্মগ্ৰহণ কৰা আৰু ১৯৩৮ চনৰ ৮ মেত ইহলীলা সম্বৰণ কৰা গুৰুদেৱ কালিচৰণ ব্ৰহ্মই ১৯০৫ চনত ব্ৰহ্ম ধৰ্ম প্ৰচাৰ কৰিছিল। সেয়া সামাজিক সংস্কাৰৰ আন্দোলন আছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৰদেৱ কালিচৰণ ব্ৰহ্মৰ গুৰুধাম নিৰ্মান আৰু ব্ৰহ্মধৰ্মৰ প্ৰসাৰৰ বাবে অনুদান ঘোষণা কৰে। সেইমৰ্মে গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ গুৰুধাম নিৰ্মানৰ বাবে তিনি কোটি, ৰৌমাৰীত থকা জ্যোতি আশ্ৰম নিৰ্মাণৰ বাবে দুই কোটি , ব্ৰহ্মধৰ্মৰ ১০০ টা যজ্ঞশালা নিৰ্মানৰ বাবে পাঁচ লাখকৈ অৰ্থাৎ পাঁচকোটি আৰু ব্ৰহ্মধৰ্মৰ প্ৰচাৰ কৰোতে যাতে আৰ্থিক অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে বছৰি আৰ্থিকসাহাৰ্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তদুপৰি তৃতীয় বড়ো শান্তি চুক্তিয়ে অঞ্চলটোলৈ স্থায়ী শান্তি ঘূৰাই আনিছে বুলি মন্তব্য কৰি বড়োসকলৰ এতিয়া ৰাজনৈতিক আশা-আকাংক্ষা পুৰণ হৈছে আৰু সাহিত্য-সংস্কৃতিও উজলি উঠিছে বুলি মন্তব্য কৰিছে হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে ব্ৰহ্মধৰ্মীয় সমন্বয় সমিতিৰ উদ্যোগত আজি পুৱা ৫:০০ বজাৰ পৰা বিয়লি ৫:০০ বজালৈ অনুষ্ঠিত হোৱা মহাযজ্ঞ অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ বিপৰীতে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, কোকৰাঝাৰৰ বিধায়ক লৰেঞ্চ ইছলাৰী, বিটিচি প্ৰধান প্ৰমোদ বড়ো, বিটিচিৰ কেবাগৰাকী কাৰ্যবাহী সদস্যই অংশগ্ৰহণ কৰাৰ লগতে প্ৰায় ২০ সহস্ৰাধিক ভক্তই অংশগ্ৰহণ কৰে। ব্ৰহ্মধৰ্মীয় সমন্বয় সমিতি সচিব বিদ্যাসাগৰ ব্ৰহ্মই সদৰি কৰা মতে ২৫ টাকৈ যজ্ঞকুন্ডত ১২২ গৰাকী পুৰোহিতৰ মন্ত্ৰাচ্চাৰণেৰে বিশ্বশান্তিৰ মহাযজ্ঞ অনুষ্ঠানত ৬০০ কেজিৰো অধিক ঘিউ, কুণ্টলে কুণ্টলে খৰি, যজ্ঞত ৮০০ কেজিৰো অধিক পঞ্চশস্য আৰু ১০ কুইণ্টলৰো অধিক ফলমূলৰ ব্যৱহাৰ হৈছে বুলি সদৰি কৰে।

## দ্বিতীয়টো কাৰ্যকালৰ শেষ সময়ছোৱাত কাজিৰঙা উদ্যান দৰ্শন

# স্বচক্ষে অসমৰ এশিঙীয়া গঁড় চাব প্ৰধানমন্ত্ৰী মোদীয়ে

**ই সংবাদ, ২৯ফেব্ৰুৱাৰীঃ** দ্বিতীয়টো কাৰ্যকালৰ শেষ সময়ছোৱাত কাজিৰঙা উদ্যান দৰ্শনৰ মন মেলিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এশিঙীয়া গঁড়ৰ বাবে বিশ্বজুৰি খ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ মাৰ্চ মাহত অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী৷ কাজিৰঙা উদ্যানৰ অপূৰ্ব প্ৰাকৃতিক পৰিবেশ উপভোগ কৰাৰ লগতে অসমৰ মান-অভিমান এশিঙীয়া গঁড় স্বচক্ষে প্ৰত্যক্ষ কৰি জীপ ছাফাৰী, হাতী ছাফাৰী কৰিব নৰেন্দ্ৰ মোদীয়ে৷ ৮ মাৰ্চত কাজিৰঙাত উপস্থিত কহঁৰাস্থিত আৰক্ষী অতিথিশালাত নৈশ যাপন কৰি ৯ মাৰ্চৰ পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা বনাঞ্চল দৰ্শন কৰিব। নৰেন্দ্ৰ মোদীয়ে কাজিৰঙালৈ প্ৰথমবাৰ আহিব৷ যাৰ বাবে এতিয়াৰ পৰাই কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনক লৈ ব্যাপক তৎপৰ হৈ পৰিছে ৰাজ্য চৰকাৰ তথা বিন বিভাগ৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া, আৰক্ষী সঞ্চালক প্ৰধানৰ পৰা প্ৰস্তুতিৰ খবৰ লৈ আহিছে৷ ইতিমধ্যে বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্য সচিব পৱন বৰঠাকুৰ, আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিং, বিশেষ আৰক্ষী সঞ্চালক প্ৰধান হৰমিট সিং, প্ৰধান মুখ্য বন সংৰক্ষক এম.কে যাদৱকে কাজিৰঙা পৰিদৰ্শন কৰিছে। কাজিৰঙাৰ দায়িত্ব প্ৰাপ্ত বন বিষয়া আৰু নিৰাপত্তাৰক্ষীৰ সৈতে কেইবালানিও বৈঠক অনুষ্ঠিত কৰি বিভিন্ন দিশ পৰ্যালোচনা কৰে৷ মন্ত্ৰীগৰাকী, আৰক্ষী বিষয়াসকলে কহঁৰা বনাঞ্চলত প্ৰধানমন্ত্ৰী মোদীয়ে জীপ ছাফাৰী আৰু হাতী ছাফাৰী কৰিবলৈ লগীয়া এলেকাও পৰিদৰ্শন কৰে৷ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰিব৷

# ১৯৯৩চনৰ ধাৰাবাহিক বিস্ফোৰণৰ মুখ্য অভিযুক্ত আব্দুল কৰিম টুণ্ডা মুকলি আকাশলৈ

**ই সংবাদ, ২৮ফেব্ৰুৱাৰীঃ** উপযুক্ত প্ৰমাণৰ অভাৱত দোষমুক্ত কৰা হ'ল ১৯৯৩ চনৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ মুখ্য অভিযুক্ত আব্দুল কৰিম টুণ্ডাক। বৃহস্পতিবাৰে ৰাজস্থানৰ আজমেৰৰ টাডা আদালতে দোষমুক্ত ৰায় প্ৰদান কৰে টুণ্ডাক। প্ৰণিধানযোগ্য যে, লস্কৰ-ই-তৈবাৰ বোমা নিৰ্মাতা হিচাপে গণ্য কৰা হৈ আহিছিল আব্দুল কৰিম টুণ্ডাক। ইয়াৰোপৰি ডাউদ ইব্ৰাহিমৰ সৈতেও তেওঁৰ সম্পৰ্ক থকা বুলিও চৰ্চা চলিছিল। ২০১৩ চনত ভাৰত-নেপাল সীমান্তত টুণ্ডাক গ্ৰেপ্তাৰ কৰা হৈছিল। সমগ্ৰ দেশতে তেওঁৰ বিৰুদ্ধে বহু গোচৰ চলি আছিল। বাবে ঘূণীয়া হৈছিল। আদালতে আজি টুণ্ডাক এই গোচৰৰ পৰা দোষমুক্ত কৰি কয় যে টুণ্ডাৰ বিৰুদ্ধে কোনো প্ৰত্যক্ষ প্ৰমাণ পোৱা নাই। তেওঁৰ অধিবক্তাই কোনো সন্ত্ৰাসবাদী সংগঠনৰ সৈতে তেওঁৰ কোনো সম্পৰ্ক নাই বুলিও দাবী কৰে। অধিবক্তাই দাবী কৰে যে আব্দুল কৰিম টুণ্ডা কেৱল এজন কাঠমিস্ত্ৰীহে, তেওঁক অপৰাধী সজোৱা হৈছে বুলিও দাবী কৰে অধিবক্তাই। উল্লেখ্য যে, ১৯৪৩ চনত সেইবোৰৰ ভিতৰত এটা আছিল ১৯৯৩ চনত দেশৰ কেইবাখনো চহৰত ৰে'লত সংঘটিত হোৱা বোমা বিস্ফোৰণৰ ঘটনা। এই বিস্ফোৰণত বহু লোকৰ মৃত্যু ঘটাৰ বিপৰীতে অৰ্ধশতাধিক লোক চিৰদিনৰ দিল্লীত জন্মগ্ৰহণ কৰিছিল টুণ্ডাই। আগতে উত্তৰ প্ৰদেশৰ গাজিয়াবাদত কাঠমিস্ত্ৰীৰ কাম কৰিছিল। তিনি পত্নীৰ স্বামী আৰু সাতটা সন্তানৰ পিতৃ আব্দুল কৰিমে ১৯৮৫চনত বোমা বনোৱাৰ সময়ত তেওঁৰ এখন হাত হেৰুৱায়। আনহাতে ২৬/১১ৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে পাকিস্তানৰ পৰা গতাই দিবলৈ বিচৰা ভাৰতৰ মষ্ট ৱাণ্টেড তালিকাত থকা ২০ জন সন্ত্ৰাসবাদীৰ ভিতৰত টুণ্ডাক অন্যতম বুলি গণ্য কৰা হয়। এই তালিকাত লস্কৰ-ই-তৈবাৰ হাফিজ ছাইদ, জৈছ-ই-মহম্মদৰ মৌলানা মাছুদ আজহাৰ আৰু দাউদ ইব্ৰাহিমকে ধৰি অন্যান্য কুখ্যাত সন্ত্ৰাসবাদীৰ নাম সন্নিবিষ্ট কৰা হৈছে।

# মৰিগাঁও জিলা সাহিত্য সভাৰ একাদশ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, লাহৰীঘাট, ২৯ ফেব্ৰুৱাৰীঃ** অসম সাহিত্য সভাৰ মৰিগাঁও জিলা সমিতিৰ একাদশ বাৰ্ষিক অধিবেশন এইবেলি কুশতলিত অনুষ্ঠিত হ'ব। কুশতলি আঞ্চলিক শাখা সাহিত্য সভাৰ উদ্যোগত অহা ৩১ মাৰ্চত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে একাদশ বিশেষ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। আজি কুশতলি পঞ্চায়ত কাৰ্যালয়ৰ ৰাজহুৱা ভৱনত প্ৰফুল্ল কুমাৰ বৰদলৈৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, সহ-সম্পাদক কুশল কুমাৰ বৰা আৰু জিলা সদস্য ৰমেশ চন্দ্ৰ বৰদলৈ উপস্থিতিত অনুষ্ঠিত সভাত অধিবেশনত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিষ্ণু ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত কুশতলি আঞ্চলিক শাখা সাহিত্য সভাৰ ২৫ গৰাকী আজীৱন সভ্যক আনুষ্ঠানিকভাবে অসম সাহিত্য সভাৰ স্বীকৃতি পত্ৰ প্ৰদান কৰা হয়। স্বীকৃতি পত্ৰসমূহ আজীৱন সভ্যসকলক প্ৰদান কৰে জিলা সভাপতি মহেন্দ্ৰ শইকীয়া আৰু সহ-সম্পাদক কুশল কুমাৰ বৰাই। আজীৱন সভ্য আৰু সাধাৰণ সভ্যসকলৰ সভ্যভৰ্তিৰ ৰছিদসমূহো শাখা সভাপতিৰ হাতত আনুষ্ঠানিকভাবে জিলা বিষয়-ববীয়া দুগৰাকীয়ে প্ৰদান কৰে। আগন্তুক অধিবেশনৰ বিভিন্ন কাৰ্যসূচীৰ লগতে বাজেট সম্পৰ্কেও বিশদভাৱে আলোচনা কৰা হয়। অধিবেশনত জিলাখনৰ সকলো সাহিত্যানুৰাগী, শুভাকাংক্ষীৰ সহায়-সহযোগিতা কামনা কৰিছে কুশতলি আঞ্চলিক শাখা সাহিত্য সভাই।

# 'কংগ্ৰেছ এতিয়া ডুবন্ত নাওঁ'

**ই-সংবাদ, নগাঁও, ২৯ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত শাসকীয় বিজেপি দলে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি ভোটাৰক আকৰ্ষিত কৰিবলৈ প্ৰয়াস কৰি গৈছে৷ তাৰ মাজতে আজি নগাঁও জিলা পুথিভঁৰালত মিচন বসুন্ধৰা আঁচনিৰ অধীনত নগাঁৰৰ ১১৯টা পৰিয়ালক ভূমি পট্টা বিতৰণ কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই।মাটিৰ পট্টা লাভ কৰা লোকসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। পট্টা বিতৰণ কাৰ্যসূচীত অংশ লৈ নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই গৌৰৱ গগৈক পলৰীয়া আখ্যা দিয়ে৷ গৌৰৱ গগৈ কাৰ নেতা হ'ব গৈ আছে সেয়া মই নকওঁ বুলি কৈ ৰূপক শৰ্মাই কয় 'গৌৰৱ গগৈয়ে চামগুৰি, ৰূপহী আৰু ধিংত কেনেকৈ ভোট পাব সেয়া চিন্তা কৰক। বিজেপি দল নাওনহয়, এখন প্ৰকাণ্ড জাহাজ, যিমান মানুহ উঠিলেও ডুব নাযায়। কংগ্ৰেছ এতিয়া ডুবন্ত নাওঁ। বৰ্তমানৰ সাংসদ প্ৰদ্যুৎ বৰদলৈক লাট মাৰি গৌৰৱ গগৈ কাৰ নেতা হ'ব সেয়া সকলোৱে জানে। নগাঁৰত আমি জিকিম। সংখ্যালঘু ভোটাৰে এইবাৰ কংগ্ৰেছক পিঠি দিব।



'কা' বলবৎ কৰিব নিদিয়াৰ দাবীত প্ৰতিবাদৰ সময়ত কৃষক মুক্তিৰ নেতা উমানন্দ মৰাণক আটক

## শেষ পৃষ্ঠা


### ডুবাই অপেন টেনিছ

# বোপান্না বাহিৰ, ভামব্ৰী ছেমিত

**ডুবাই, ২৯ ফেব্ৰুৱাৰীঃ** নিজ সংগীৰ সতে ডুবাই অপেন টেনিছ চেম্পিয়নশ্বিপৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ যুকী ভামব্ৰী। আনহাতে প্ৰতিযোগিতাৰ শীৰ্ষ বাচনি লাভ কৰা ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেন যুটি কোৱাৰ্টাৰ ফাইনেলৰ পৰাই বাহিৰ হৈছে। নেদাৰলেণ্ডৰ ৰবিন হাছৰ লগত যুটি বান্ধি ভামব্ৰীয়ে প্ৰতিযোগিতাখনত ভাগ লয়। ভামব্ৰী-হাছ যুটিয়ে বৃটিছ-নিউজিলেণ্ডৰ যুটি জেমী মুৰে মাইকেল ভেনাছক ৬-৪, ৭-৬ ছেটত পৰাজিত কৰি ছেমিফাইনেলৰ পথ প্ৰশস্ত কৰে। ছেমিত ইণ্ডো-ডাচ যুটিটোৱে অষ্টিন ক্ৰেজিচেক আৰু ইভান ড'দিগৰ বিপক্ষে খেলিব। ইফালে বোপান্না-এবডেনে চেক-উৰুগুৱেন যুটি আদাম পাভলাছেক আৰু এৰিয়েল বেহাৰৰ হাতত ৬-৩, ৩-৬ আৰু ৮-১০ ছেটত পৰাজিত হয়। প্ৰথম ছেটটো জয় কৰা ইণ্ডো-অষ্ট্ৰেলিয়ান যুটিটোৱে পৰৱৰ্তী সময়ত নিজৰ ছন্দ ধৰি ৰখাত ব্যৰ্থ হয়।

# এপ্ৰিলত ২০ বছৰ অনুৰ্দ্ধ ফুটবল

**নতুন দিল্লী, ২৯ ফেব্ৰুৱাৰীঃ** বিছ বছৰ অনুৰ্দ্ধ ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপ অহা এপ্ৰিলত অনুষ্ঠিত হ'ব। আজি এক সংবাদ মেল যোগে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতি কল্যাণ চুবেই এই কথা প্ৰকাশ কৰে। উল্লেখ্য যে ক'ভিড পৰিস্থিতিৰ বাবে অনুৰ্দ্ধ-২১ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাখন বন্ধ হৈ আছিল। এইবাৰ বিছ বছৰ অনুৰ্দ্ধ প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব আৰু স্বামী বিবেকানন্দৰ নামেৰে নামাকৰণ কৰা হৈছে। এইবাৰ ছত্তিছগড়ৰ নাৰায়ণপুৰত থকা ৰামকৃষ্ণ মিচন খেল পথাৰত টুৰ্ণামেণ্টখন অনুষ্ঠিত হ'ব।




# ৰাহুল আউট
# দললৈ উভতিল বুমৰাহ

**মুম্বাই, ২৯ ফেব্ৰুৱাৰীঃ** ইংলেণ্ডৰ বিপক্ষে চলি থকা টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিম টেষ্ট অহা ৭ মাৰ্চৰ পৰা ধৰমশালাত অনুষ্ঠিত হ'ব। ফিটনেছৰ আধাৰত উক্ত টেষ্টখনৰ পৰাও বাহিৰ হৈছে মিডল অৰ্ডাৰ বেটাৰ কে এল ৰাহুল। বিচিচিআইয়ে সদৰী কৰা মতে, ব'ৰ্ডৰ মেডিকেল টিমে ৰাহুলৰ স্বাস্থ্য নিৰীক্ষণ কৰি আছে আৰু তেওঁৰ সমস্যা সন্দৰ্ভত অধিক ব্যৱস্থা গ্ৰহণৰ বাবে লণ্ডনৰ বিশেষজ্ঞসকলৰ সৈতে যোগাযোগ কৰিছে। ইফালে, ৰাঁচীত অনুষ্ঠিত চতুৰ্থ টেষ্টত জিৰণি দিয়া যশপ্ৰীত বুমৰাহে ধৰ্মশালাত পঞ্চম টেষ্টৰ বাবে দলত যোগদান কৰিব বুলি বিচিচিআইয়ে জানিবলৈ দিছে। আনহাতে ৱাশ্বিংটন সুন্দৰক দলৰ পৰা মুকলি কৰি দিয়া হৈছে। পঞ্চম টেষ্টৰ বাবে ভাৰতীয় দল : ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাহ, যশস্বী জয়ছোৱাল, শুভমন গিল, ৰজত পাটিদাৰ, ছৰফৰাজ খান, ধ্ৰুৱ জুৰেল, কে এছ ভৰত, দেৱদত্ত পাডিকাল, আৰ অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ, মহম্মদ চিৰাজ, মুকেশ কুমাৰ, আকাশ দীপ।







newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান